ভাৰত চৰকাৰ
বিধি আৰু ন্যায় মন্ত্ৰালয়

# হিন্দু সম্পত্তি নিষ্পত্তিকৰণ অধিনিয়ম, ১৯১৬

(১৯১৬ ৰ ১৫ নং অধিনিয়ম)

[১ এপ্ৰিল, ১৯৯০ তাৰিখে যথা বিদ্যমান]

# The Hindu Disposition of Property Act, 1916

(Act No. 15 of 1916)

[As on the 1st April, 1990]

ভাৰত চৰকাৰৰ হকে, অসম চৰকাৰ (বিধান বিভাগ) ৰ দ্বাৰা প্ৰকাশিত আৰু
অসম চৰকাৰী ছপাশালত মুদ্ৰিত, গুৱাহাটী - ২১

## পাতনি

১ এপ্রিল, ১৯৯০ তাৰিখে যথা বিদ্যমান হিন্দু সম্পত্তি নিষ্পত্তিকৰণ অধিনিয়ম, ১৯১৬ (১৯১৬ৰ ১৫ নং)ৰ এই সংস্কৰণত এই অধিনিয়মৰ অসমীয়াত প্ৰাধিকৃত অনুবাদ আছে আৰু এই অসমীয়া অনুবাদ ৭/৯/১৯৯০ তাৰিখৰ ভাৰতৰ ৰাজপত্ৰ, অসাধাৰণ, ভাগ—৬, অনুভাগ—১, নং ১, খণ্ড ১ৰ পৃষ্ঠা ২৫ত প্ৰকাশিত হৈছিল।

প্ৰাধিকৃত পাঠ (কেন্দ্ৰীয় বিধি) অধিনিয়ম, ১৯৭৩ৰ ধাৰা ২ৰ খণ্ড (ক)ৰ অধীনত ৰাষ্ট্ৰপতিৰ প্ৰাধিকাৰাধীনে অসমীয়াত এই প্ৰাধিকৃত অনুবাদ প্ৰকাশ কৰা হৈছিল আৰু এনেদৰে প্ৰকাশ হোৱাত অসমীয়াত এই অধিনিয়মৰ প্ৰাধিকৃত পাঠৰূপে গণ্য হ'ব।

## PREFACE

This edition of the Hindu Disposition of Property Act, 1916 (15 of 1916) as on the 1st April, 1990 contains the authorised translation of that Act in Assamese and the same was published in the Gazette of India, Extraordinary, part VI, Section 1, No. 1, Vol. 1 dated 7th September, 1990 on page 25.

This authorised translation in Assamese was published under the Authority of the President under clause (a) of section 2 of the Authoritative Texts (Central Laws) Act, 1973 and on such publication, it became the authoritative texts of the Act in Assamese.

New Delhi
Date 22-10-90

V. S. RAMA DEVI,
Secretary to the Govt. of India.

হিন্দু সম্পত্তি নিষ্পত্তিকৰণ অধিনিয়ম, ১৯১৬

১। সংক্ষিপ্ত নাম আৰু বিস্তাৰ ।

২। অবৰ্তমান ব্যক্তিৰ উপকাৰৰ বাবে নিষ্পত্তিকৰণ ।

৩। পৰিসীমা আৰু চৰ্ত ।

৪। পূৰ্বৰ নিষ্পত্তিকৰণৰ ব্যৰ্থতা ।

৫। খোজা সম্প্ৰদায়ত এই অধিনিয়মৰ প্ৰয়োগ ।

## হিন্দু সম্পত্তি নিষ্পত্তিকৰণ অধিনিয়ম, ১৯১৬
১৯১৬ চনৰ ১৫ নং

(১ এপ্ৰিল, ১৯৯০ তাৰিখে যথা বিদ্যমান)

[২৮ চেপ্তেম্বৰ, ১৯১৬]

সম্পত্তি নিষ্পত্তিকৰণৰ তাৰিখত অবৰ্তমান ব্যক্তিৰ উপকাৰৰ বাবে হিন্দু সম্পত্তি নিষ্পত্তিকৰণ ক্ষমতাৰ বিষয়ত বৰ্তি থকা কিছুমান অক্ষমতাৰ দূৰীকৰণাৰ্থে এক অধিনিয়ম।

যিহেতু হিন্দু সম্পত্তি নিষ্পত্তিকৰণৰ তাৰিখত অবৰ্তমান ব্যক্তিৰ উপকাৰৰ বাবে হিন্দুৰ সম্পত্তি নিষ্পত্তিকৰণ ক্ষমতাৰ বিষয়ত বৰ্তি থকা নিৰ্দিষ্ট কিছুমান অক্ষমতা দূৰীকৰণ কৰাটো সমীচীন, সেই বাবে নিম্নলিখিত ভাবে অধিনিয়মত কৰা হ'ল ঃ—

**সংক্ষিপ্ত নাম আৰু বিস্তাৰ।**

১। (১) এই অধিনিয়মৰ নাম হিন্দু সম্পত্তি নিষ্পত্তিকৰণ অধিনিয়ম, ১৯১৬।

(২) ইয়াৰ বিস্তাৰ জম্মু আৰু কাশ্মীৰ ৰাজ্যৰ বাহিৰে-সমগ্ৰ ভাৰততে হ'ব।

**অবৰ্তমান ব্যক্তিৰ উপকাৰৰ বাবে নিষ্পত্তিকৰণ।**

২। এই অধিনিয়মত নিৰ্দিষ্ট নিৰ্বন্ধন আৰু উপবন্ধ সমূহ সাপেক্ষে জীৱনকালত হস্তান্তৰণেই হওক বা উইলৰ দ্বাৰাই হওক হিন্দুৰ দ্বাৰা কৃত সম্পত্তিৰ কোনো নিষ্পত্তিকৰণ কেৱল যিজন ব্যক্তিৰ উপকাৰাৰ্থে কৰা হৈছিল তেনে নিষ্পত্তিকৰণৰ তাৰিখত তেওঁৰ অস্তিত্ব নাছিল বুলিয়েই বিধিমান্যতাহীন নহব।

**পৰিসীমা আৰু চৰ্ত।**

৩। নিম্নলিখিত বিলাকেই ধাৰা ২ ত উল্লেখ কৰা নিৰ্বন্ধন সমূহ আৰু উপবন্ধসমূহ হব ঃ—

(ক) জীৱনকালত হস্তান্তৰণৰ দ্বাৰা কৰা নিষ্পত্তিকৰণৰ ক্ষেত্ৰত সেই বিলাক নিৰ্বন্ধনৰ আৰু উপবন্ধ যিবিলাক সম্পত্তি হস্তান্তৰণ অধিনিয়ম, ১৮৮২ (১৮৮২ চনৰ ৪ নং) ৰ দ্বিতীয় অধ্যায়ৰ অন্তৰ্গত, আৰু

(খ) উইলৰ দ্বাৰা নিষ্পত্তিকৰণৰ ক্ষেত্ৰত সেইবিলাক নিৰ্বন্ধন আৰু উপবন্ধ যিবিলাক ভাৰতীয় উত্তৰাধিকাৰ অধিনিয়ম, ১৯২৫ ৰ ধাৰা ১১৩, ১১৪,১১৫ আৰু ১১৬ ৰ অন্তৰ্গত।

৪। [পূৰ্বৰ নিষ্পত্তি কৰণৰ ব্যৰ্থতা] সম্পত্তি হস্তান্তৰণ (সংশোধনী) অনুপূৰক অধিনিয়ম, ১৯২৯ (১৯২৯ চনৰ ২১ নং) ৰ দ্বাৰা নিৰসিত।

**খোজা সম্প্ৰদায়ত এই অধিনিয়মৰ প্ৰয়োগ।**

৫। যি ক্ষেত্ৰত ৰাজ্যিক চৰকাৰে এই মত পোষণ কৰে যে ৰাজ্যখনৰ 'খোজা' সম্প্ৰদায় বা তাৰ কোনো অংশই এই অধিনিয়মৰ উপবন্ধ সমূহ তেনে সম্প্ৰদায়লৈ বিস্তৃত কৰাটো কামনা কৰে সেই চৰকাৰে ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা ঘোষণা কৰিব পাৰে যে 'হিন্দু সকল' বা 'হিন্দু' শব্দৰ ঠাইত ক্ষেত্ৰানুযায়ী য'তে এই শব্দ বিলাক থাকে ত'তে 'খোজাসকল' বা 'খোজা' শব্দ সন্নিলিত ক্ৰমে এই অধিনিয়মৰ উপবন্ধাৱলী সেই অধিসূচনাত নিৰ্দিষ্ট কৰি দিব পাৰে তেনে অঞ্চলত সেই সম্প্ৰদায়তো খাটিব আৰু তেতিয়া তদনুযায়ী এই অধিনিয়মে কাৰ্যকাৰিতা লাভ কৰিব।

## হিন্দু সম্পত্তি নিষ্পত্তিকৰণ অধিনিয়ম, ১৯১৬
## The Hindu Disposition of Property Act, 1916

### পৰিভাষা
### Glossary of Terms

| Reference | English Term | Assamese equivalent |
|---|---|---|
| Sec—2. | Benefit | উপকাৰ |
| Sec—2 | Persons not in existence | অবৰ্তমান ব্যক্তিবোৰ |
| Sec—3. | Limitation and condition | পৰিসীমা আৰু চৰ্ত |
| Sec—4. | Failure of prior disposition | পূৰ্বৰ নিষ্পত্তিকৰণৰ ব্যৰ্থতা |
| Sec—4. | Transfer | হস্তান্তৰণ |
| Sec—5. | Community | সম্প্ৰদায় । |